ভাৰতীয় জনতা পাৰ্টি

(কেন্দ্ৰীয় কাৰ্য্যালয়)

**১১,অশোক ৰোড, নতুন দিল্লী - ১১০০০১**

দুৰভাষ নং -২৩০০৫৭০০, ফেক্স স্থ ২৩০০৫৭৮৭

**ভাৰতীয় জনতা পাৰ্টিৰ সংসদীয় সদস্য আৰু সাধাৰণ সম্পাদক শ্ৰীযুত অনন্ত কুমাৰৰ ২০১৪-১৫ বৰ্ষৰ অন্তৰীম ৰেল বাজেটৰ ওপৰত জাৰী কৰা প্ৰেছ বিজ্ঞপ্তি**

শ্ৰীযুত মল্লিকাৰ্জুন খাৰ্গেৰ প্ৰস্তুত কৰা অন্তৰীম ৰেল বাজেট নিৰ্বাচনৰ প্ৰচাৰ মুখিতাৰ বাদে আন একো নহয় । এই নিৰ্বাচনী বাজেটৰ জীৱন সীমিত যিহেতু ইয়াৰ কাৰ্য্যকাৰিতাৰ ওপৰত প্ৰশ্ন উত্থাপন হৈছে, কাৰণ আগন্তক ১৫ দিনৰ ভিতৰত নিৰ্বাচনক লৈ মডেল ক'ড অফ কনডাক্ট বলবৎ কৰা হ'ব ।

আমি এই অন্তৰীম ৰেল বাজেটক ইউ পি এ শাসিত কংগ্ৰেছ চৰকাৰৰ বিদায় বাজেট আখ্যা দিছো । সমগ্ৰ দেশে আগন্তক কিছু মাহৰ ভিতৰতে শ্ৰীযুত নৰেন্দ্ৰ মোদীৰ নেতৃত্বত প্ৰস্তাৱিত ৰেল বাজেটক লৈ উৎসুকতাৰে বাট চাইছে যি ভাৰতীয় ৰেলত বিপ্লৱ আনিব ।

ইউ পি এ চৰকাৰৰ ৰেল সন্দৰ্ভত কৰ্ণাটক ৰাজ্যৰ বাবে যোৱা ১০ বছৰ বহুত বেয়া আছিল । কোৱা হয় যে শাসনৰ গুণ সদায় জনসাধাৰণক আগবঢ়োৱা সেৱাৰ জড়িয়তে দেখা যায় আৰু ভাৰতত ৰেলৱে সন্দৰ্ভত এইয়া শুদ্ধ । কৰ্ণাটকৰ জনসাধাৰণ আৰু সমগ্ৰ ভাৰতে আগন্তক লোকসভা নিৰ্বাচনলৈ বাট চাই আছে যাতে তেওঁলোকে শ্ৰীমতী চোনীয়া, ডঃ সিঙ, শ্ৰীযুত ৰাহুলৰ যি দূৰদৰ্শিতাৰ অক্ষমতা পৰিলক্ষিত কৰোৱাইছে তেওঁলোকক শাসনৰ পৰা আতঁৰাব পাৰে ।

ভাৰতৰ ৰাজ্য চৰকাৰৰ ভিতৰত কৰ্ণাটক বিজেপি চৰকাৰ, একমাত্ৰ ৰাজ্য চৰকাৰ যি ৰেল আচঁনিক ৰাজ্যিক বাজেটৰ পৰা আটাইতকৈ বেছি সহযোগিতা আগবঢ়াইছিল, ৰেল আচঁনিৰ বাবে ভূমিৰ প্ৰতিশ্ৰুতি দিছে আৰু ইয়াৰ বাবে বিশেষ যুটীয়া লেজিচলেছাৰ কমিটিও গঠন কৰিছে । ইমান কৰা স্বত্বেও দক্ষিণ পশ্চিমি ৰেলৱে খণ্ডই সদায় নতুন ৰেল, ডাবুল ট্ৰেক, বৈদ্যুতিকৰণ, গজ কনভাৰছন, নতুন ৰেল লাইন আৰু যাত্ৰীৰ জৰুৰী সামগ্ৰী আদিৰ ক্ষেত্ৰত অংশ নিম্ন থাকে ।

কৰ্ণাটক আৰু দক্ষিণি পশ্চিমি ৰেলৱে খণ্ডই বহুত বছৰ ধৰি ৰেলৱেক যথেষ্ট আমদানি দি আছে, কিন্তু ইউ পি এ চৰকাৰৰ প্ৰত্যেক ৰেল বাজেটত এই খণ্ডৰ বাবে নিম্ন আৱন্টন থাকে ।

কেন্দ্ৰৰ ইউপিএ চৰকাৰৰ এনে ব্যৱহাৰৰ ফল স্বৰূপ দেখা গৈছে যে -

১/ আচঁনিবোৰক পি পি পি মোডত অন্তৰ্ভূক্ত কৰোৱাত ইউ পি এ চৰকাৰ অসফল হৈছে । উদহৰণ স্বৰূপে কৰ্ণাটক চৰকাৰে ৰাজ্যিক বাজেটৰ পৰা ৰেল আচঁনিৰ বাবে ভূমি আৰু ধন আৱন্টন কৰিছিল কিন্তু ৰেলৱে য়ে নিজৰ ভাগৰ কৰিবলগীয়া কাম নকৰাৰ বাবে বহু সময় ধৰি এনে আচঁনিবোৰ বিলম্ব হৈ আছে ।

২/ বেংগালুৰ্ৰ সুবৰ্বন ৰেলসেৰাৰ বাবে কৰ্ণাটক চৰকাৰে আচঁনি খৰছৰ ৫০ শতাংশ খৰছ কৰাৰ প্ৰতিশ্ৰুতি আৰু বেংগালুৰ-মাইচোৰ আৰু বেংগালুৰ-টুমকুৰ ৰেল ক'ৰিড'ৰৰ ডাবুল ট্ৰেক, বৈদ্যুতিকৰণ আৰু অ'ট'মেটিক চিগনেলিং সম্পূৰ্ণৰূপে উপেক্ষা কৰা হৈছে ।

৩/ সীমা ক্ষেত্ৰৰ সন্দৰ্ভত কৰ্ণাটক ৮ নং বৃহৎ ৰাজ্য । কিন্তু ৰেলৱেৰ ক্ষেত্ৰত তলৰ পৰা চতুৰ্থ স্থানত আছে ।

৪/এই বাজেটত কাটৰালৈ মাত্ৰ এটা সাপ্তাহিক ৰেলসেৰা ঘোষনা কৰাৰ বাহিৰে কৰ্ণাটকৰ পৰা অমৃতচৰ, জন্মূ তৱী, ডেহৰাডুন আৰু বানাৰসলৈ প্ৰত্যক্ষ যোগাযোগৰ ৰেলসেৰা নাই । ইয়াৰ স্বত্বেও বেংগালুৰ প্ৰগতিশীল নগৰ যাৰ আই টি আৰু সেৰা বিভাগে ভাৰতৰ বিভিন্ন ঠাইৰ পৰা লোকক আকৰ্ষিত কৰে ।

৫/ কৰ্ণাটকৰ বহুত চহৰৰ ৰেলষ্টেচন আৰু যাত্ৰীৰ বাবে সুবিধা বেয়া অৱস্থাত আছে আৰু যোৱা ১০ বছৰৰ পৰা ইয়াৰ উন্নতিকৰণৰ কোনো ব্যৱস্থা ল'ব পৰা হোৱা নাই ।

৬/ সাধাৰণ ব্যক্তিৰ বাবে ১ মাহ আগতে কৰা টিকেট কনফ্ৰাম পোৱা ভয়ানক অভিজ্ঞতা যিহেতু টিকেটবোৰ শেষ হৈ থাকে । যিবোৰ জনসাধাৰণৰ ইন্টাৰনেটৰ সংযোগ নাই তেওঁলোকক সুযোগ দিয়া ৰাজনৈতিক ইচ্ছাশক্তি দেখা পোৱা নাই ।

৭/ ৰেলৰ অৱস্থা আৰু সুবিধা ১০ বছৰৰ আগতে যেনে আছে তেনেই আছে । আন খণ্ড আৰু ৰাজ্যই যি সময়ত নতুন আৰ্হিৰ ডবা লাভ কৰিছে, আমি কৰ্ণাটকত এতিয়াও সেই পুৰণি ডবাবোৰত ভ্ৰমণ কৰি আছো ।

৮/ সুৰক্ষাৰ দিশ নোচোৱাৰ বাবে এই অঞ্চলত বহুতো ৰেল দুৰ্ঘটনা সংঘটিত হৈছে যাৰ ফলত বহুত লোকে প্ৰাণ হেৰুৱাব লগা হৈছে । যোৱা ২ বছৰত হোৱা ৰেল দূৰ্ঘটনা সমূহ হৈছে -

----২৮/১২/২০১৩ তাৰিখে অনন্তপুৰ জিলাত বেংগালুৰ চিটি - নন্দেদ এক্সপ্ৰেছৰ জুই

----১০/৪/২০১৩ তাৰিখে আৰোকানামৰ ওচৰত মুজ্জাফৰপুৰ-য়চৰন্তপুৰ এক্সপ্ৰেছত লাইনচ্যুত

-----১৯/১২/২০১২ তাৰিখে মেডাক জিলাত ইন্দোৰ- য়ৰচৰন্তপুৰ এক্সপ্ৰেছ দুৰ্ঘটনাগ্ৰস্ত

----২২/৫/২০১২ তাৰিখে পেনোক'ন্দাৰ ওচৰত হুবলি-বেংগালুৰ হম্পি এক্সপ্ৰেছৰ সৈতে মালৱাহী ৰেলৰ মুখামুখি সংঘৰ্ষ ।